অধ্যায় ১০ ঃ বৃত্তান্ত ঃ ইয়াৰ বিভিন্ন ৰূপ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ 'বৃত্তান্ত' কি?

১০.৪ বৃত্তান্ত কথন, কথক, 'বৃত্তান্ত'ৰ ধৰণ, 'বৃত্তান্ত'ৰ দৃষ্টিভংগী, শ্ৰোতা নাইবা সম্বোধিত ব্যক্তি

১০.৫ কথনৰ প্ৰকাৰ

১০.৬ কথনৰ উপাদান

১০.৭ বৃত্তান্ত বৰ্ণনা-- উপযুক্ততা আৰু বিশ্বাসযোগ্যতা

১০.৮ ৰৈখিক আৰু অ-ৰৈখিক বৃত্তান্ত গাঁথনি

১০.৯ বৃত্তান্তৰ অনুচ্ছেদ

১০.১০ প্ৰৱন্ধ ৰচনাত বৃত্তান্ত

১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১০.১২ অধিক জানিবলৈ

১০.১৩ অগ্ৰগতিৰ খতিয়ান

১০.১৪ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৃত্তান্ত কথনৰ বিভিন্ন ৰূপৰ বিষয়ে জানিবলৈ পাৰিব
- বৃত্তান্ত পাঠত কেনেকৈ ঘটনাবোৰক সুশৃঙ্খলিত আৰু সুসংগঠিত কৰা হয় সেই বিষয়ে জানিব পাৰিব
- যি দৃষ্টিকোণৰ পৰা বৃত্তান্তৰ ঘটনাবোৰ প্ৰকাশিত হয়, সেই দৃষ্টিকোণবোৰ বুজিব পাৰিব
- বৃত্তান্ত কথনৰ আহিলা প্ৰয়োগ কৰি বৃত্তান্ত বিশ্লেষণ কৰিব পাৰিব
- সুসমন্বিত বৃত্তান্ত এটা ৰচনা কৰিবলৈ বৃত্তান্তৰ উপাদানবোৰ ব্যৱহাৰ কৰিব পাৰিব

১০.২ পৰিচয়

স্নাতকোত্তৰ পাঠ্যক্ৰমৰ AEC পাঠ্যবিষয় প্ৰায়োগিক অসমীয়াৰ এইটো দশম অধ্যায়। বৃত্তান্তৰ পৰিচয়, স্বৰূপ, কথন এই সমূহৰ আলোচনা এই অধ্যায়ত সামৰা হৈছে।

বৃত্তান্ত (Narration) আৰু বৰ্ণিত কথা (Narrative) এই ইংৰাজী শব্দ দুটাই সাম্প্ৰতিক কালত তাৎপৰ্যপূৰ্ণ অৰ্থ বহন কৰে। সেইদৰে বৃত্তান্ত লেখন শৈলীৰ অধ্যয়ন বুজোৱা Narratology শব্দটো অৰ্থবাহক হৈ পৰিছে, যদিও প্ৰচলিত অভিধানত শব্দটো পোৱা নাযায়।

কথন, কথা, উক্তি, বৰ্ণনা, বাচ্য এই শব্দকেইটা ইংৰাজী Narration শব্দৰ প্ৰায় সমাৰ্থক। Narrative শব্দৰো অসমীয়া প্ৰতিশব্দ ৰচনা, কথা, বৰ্ণনা, লেখনি, গল্প নাইবা কাহিনী হ'ব পাৰে। এই পাঠত Narration শব্দৰ বাবে 'বৃত্তান্ত' আৰু Narrative শব্দৰ বাবে বৰ্ণিত কথা ব্যৱহাৰ কৰা হৈছে। ভাৰতীয় সাহিত্যৰ পৰম্পৰাত এই শব্দ দুটা বিশেষ অৰ্থবাহক।

বাস্তৱ নাইবা কল্পিত ঘটনাসমূহৰ সৰল সময়ানুক্ৰমিক পুনৰাবৃত্তিয়েই 'বৃত্তান্ত'। তথ্যৰ লীনভৱন ঘটাই পাঠক আৰু শ্ৰোতাৰ উপভোগ্য হোৱাকৈ পুনৰ কোৱাটোকে 'বৃত্তান্ত কথন' বোলা হয়। গতিকে 'বৃত্তান্ত কথন' হ'ল বৰ্ণনাৰ নাইবা কথনৰ প্ৰক্ৰিয়া। কথকে আৰম্ভ কৰা কোনো বৃত্তান্ত পাঠ (narrative text)ৰ পৰা বৃত্তান্ত কথনৰ আৰম্ভণি হয়।

অৰ্থবহ আৰ্হি (Meaningful pattern) এটা অনুসৰণ কৰি আনুক্ৰমিকভাৱে পৰিৱেশন কৰা ঘটনাসমূহৰ বিৱৰণেই হৈছে বৰ্ণিত কথা (Narrative)। ঘটনাসমূহ নিৰ্বাচন আৰু সেইবোৰৰ আনুক্ৰমিক বিন্যাস তৈয়াৰ কৰি অৰ্থবহ আৰ্হি এটালৈ নিয়াটো 'বৰ্ণিত কথা'ৰ সফলতাৰ দুটা গুৰুত্বপূৰ্ণ কাৰক। স্বাভাৱিক অৱস্থাৰ অভিজ্ঞতাৰ প্ৰবাহৰ সৈতে বৃত্তান্তৰ পাৰ্থক্য এইখিনিতে যে বৃত্তান্তত ঘটনাসমূহক এনে ভাবে নিৰ্বাচন কৰা হয়, যিবোৰৰ স্বাভাৱিক অভিজ্ঞতাসমূহৰ সৈতে কিছু সম্পৰ্ক স্থাপন হোৱাৰ সম্ভৱনা থাকে। গতিকে এটা 'বৃত্তান্ত'ৰ সৃষ্টি কৰা মানে হ'ল বহু ঘটনাৰ মাজত সম্পৰ্ক স্থাপন কৰা আৰু তাৰ পুনৰ কথন আগবঢ়োৱা। বহুসংখ্যক বৰ্ণনা প্ৰসংগ (context) ত আমি এনে বৃত্তান্তৰ ৰূপ বিচাৰি পাওঁ। ভাত ৰন্ধাৰ পৰা আৰম্ভ কৰি প্ৰাত্যহিক জীৱনৰ অন্য কামৰ পৰা অন্যান্য সকলো অভিজ্ঞতাকে আৰম্ভণি, মধ্য আৰু উপসংহাৰৰ ক্ৰম থকা এক বৃত্তান্ত ৰূপে পুনৰ বৰ্ণনা কৰিব পাৰো। আমি গ্ৰহণ কৰা মাধ্যমৰ ওপৰত নিৰ্ভৰ কৰি এই বৃত্তান্ত মৌখিক অথবা লিখিত হ'ব পাৰে। গতিকে ঘটনা, চৰিত্ৰ, চৰিত্ৰৰ সংলাপ আৰু কাৰ্য জড়িত সকলো কাহিনী নাইবা গল্প, উপন্যাস, ৰোমান্স, ৰমন্যাসিক কাব্য, মহাকাব্য, জীৱনী, আত্মজীৱনী, ইতিহাস, সংবাদ মাধ্যমৰ বাতৰি নাইবা প্ৰবন্ধ আৰু প্ৰতিবেদন, সভাৰ ভাষণ, বিজ্ঞাপন আদি আটাইবোৰেই বিশেষ প্ৰকাৰৰ বৃত্তান্তৰ অন্তৰ্ভুক্ত। প্ৰত্যেকৰে নিৰ্দিষ্ট সুকীয়া ৰূপ আছে। নাটকো বৃত্তান্তৰ অন্তৰ্ভুক্ত হয়। কিন্তু ইয়াত কথক নাই। চৰিত্ৰৰ উক্তি আৰু ক্ৰিয়াৰ প্ৰত্যক্ষ প্ৰতিফলন অথবা মঞ্চায়নৰ মাজেদি এই 'বৃত্তান্ত'ৰ বৈশিষ্ট্য প্ৰকাশ হয়। ক্ৰিয়াকলাপৰ প্ৰয়োজনীয়তা আৰু তাৰ নিয়ন্ত্ৰণেহে নাটকৰ 'বৃত্তান্ত'ৰ বৈশিষ্ট্য প্ৰকাশ কৰে, প্ৰত্যক্ষ বৰ্ণনাৰে নহয়।

ভাৰতীয় সাহিত্যত বর্ণিত কথাৰ ধাৰণা

ভাৰতীয় অলংকাৰ শাস্ত্রত 'বৃত্তান্ত' আৰু 'আখ্যায়িকা' বুলি কথা-সাহিত্যৰ দুটা শ্রেণী আছে। বাহ্যিকভাবে দুয়োটা ৰূপৰ মাজত প্রভেদ নাই যদিও আভ্যন্তৰীণভাবে এটা পার্থক্য ধৰা পেলোৱা হৈছে। 'বৃত্তান্ত'ত কল্পনাৰ ৰেশ— ই কল্পিত কাহিনী। সেয়ে 'বৃত্তান্ত'ত বস্তুগত কল্পনা আছে বুলি কোৱা হৈছে। আনহাতে 'আখ্যায়িকা' হৈছে ঐতিহাসিক তথ্যভিত্তিক, জীৱনভিত্তিক আৰু সত্য ঘটনাৰ স্থিতি প্রকাশক কাহিনী। উদাহৰণস্বৰূপে, বাণভট্টৰ *'কাদম্বৰী কথা'* কল্পিত বৃত্তান্ত ভিত্তিত ৰচনা কৰা কাব্যোপন্যাস। সেয়ে ই 'বৃত্তান্ত'। কিন্তু একে গৰাকী লেখকৰৰ দ্বাৰা ৰচিত *'হর্ষচৰিত'* আখ্যায়িকা; কাৰণ ই জীৱনীৰ অৱলম্বনত ৰচিত তথ্যভিত্তিক গদ্যকাব্য। পদ্যৰদ্ধ 'বৃত্তান্ত'ক কথাকাব্য আৰু গদ্যৰদ্ধ 'বৃত্তান্ত'ক কথা সাহিত্য বুলি কোৱা হয়। উপন্যাস, সাধুকথা, চুটিগল্প, ৰম্য ৰচনা, বর্ণনাত্মক ৰচনা এই সকলোকে কথা সাহিত্য বুলি কোৱা হৈছে। 'সাহিত্য দর্পণ'ত এইটোও কোৱা হৈছে যে 'আখ্যান'কে আদি কৰি যিকেইটা গদ্যকাব্যৰ শ্রেণী আছে সেই সকলোবোৰ 'বৃত্তান্ত' আৰু 'আখ্যায়িকা'ৰ অন্তর্ভুক্ত। কার্য-কাৰণ সম্বন্ধ আৰু সাধাৰণতে নাতিহ্রস্ব বিৱৰণ থকা বৃত্তান্ত, প্রাচীন উপন্যাস আদিক কাহিনী বোলা হয়। গতিকে ইংৰাজী 'নেৰেটিভ' (Narrative)ৰ প্রতিশব্দ ৰূপে 'কাহিনী'কো ধৰিব পৰা যায়।

দেখা গ'ল যে পাশ্চাত্যৰ সাহিত্য আৰু ভাৰতীয় সাহিত্যত 'বৃত্তান্ত'ৰ পৰিসৰ প্রায় একে। সকলো শ্রেণীৰ সাহিত্যকে ই সামৰি লৈছে।


১০.৩ 'বৃত্তান্ত' কি ?

পৰিচয় শিতানৰ আলোচনাত বর্ণিত কথা সম্পর্কে আপোনাক বিতংকৈ জনোৱা হৈছে। তথাপি এই শিতানত ইয়াৰ এটি সৰল আৰু সংক্ষেপে ব্যাখ্যা আগবঢ়োৱা হ'ল।

ইংৰাজী 'নেৰেটিভ্' শব্দটোৰ মূল হৈছে লেটিন শব্দ narrare। ইয়াৰ অর্থ হৈছে 'কোৱা নাইবা পুংখানুপুংখৰূপে বর্ণনা কৰা (to recount)'। শব্দটোৰ সম্পর্ক আছে gnarus শব্দৰ সৈতে, যাৰ অর্থ 'জ্ঞেয়' (knowing)। গতিকে 'নেৰেটিভ্' মানে হৈছে জনা কথা এটা কোৱাৰ এবিধ আহিলা জ্ঞান আয়ত্ব কৰি তাক সুসংৱদ্ধভাৱে প্রকাশ কৰাত বর্ণিত কথাই সহায় কৰে। গল্প অথবা কাহিনী (story)ক 'নেৰেটিভ্'ৰ প্রতিশব্দ বুলি আগতেই কোৱা হৈছে। যথার্থভাৱে ক'বলৈ হ'লে, বর্ণিত কথাত উপস্থাপন কৰা ঘটনাৰ অনুক্রমক নির্দিষ্ট কৰিবলৈহে কাহিনী প্রয়োগ কৰা হয়।

মূলতঃ বর্ণিত কথা হৈছে কথনৰ কিছু সময়ৰ আগতে ঘটা ঘটনাৰ পুনৰ বর্ণনা। ই কথকৰ প্রত্যক্ষ মধ্যস্থতাৰ জৰিয়তে গল্প, ঘটনাৰ অনুক্রম অথবা খণ্ড কাহিনীৰ জৰিয়তে মনোযোগ আকর্ষণ কৰে।

নিম্নোক্ত চিত্ৰৰ জৰিয়তে কথাখিনি এনেদৰে বুজাব পাৰি ঃ



বর্ণিত কথাত এটা উত্থানৰ ধাৰণা থাকে; এটা স্তৰৰ পৰা আন এটা স্তৰলৈ ই আমাক আগবঢ়াই লৈ যায়। 'বৃত্তান্ত'ৰ কথকে প্রত্যক্ষদর্শী হোৱা ঘটনা-পৰিঘটনাসমূহৰ স্মৃতিচাৰণ কৰে।

গতিকে বর্ণিত কথা হ'ল কোনো ঘটনাৰাজিৰ অথবা ক্রিয়াৰ প্রতিৰূপ। ঘটনা অথবা ক্রিয়া অবিহনে আৰু তাৰ পুনৰাবৃত্তি নথকা কোনো ৰচনা বৃত্তান্ত হ'ব নোৱাৰে। তেতিয়া সি কেৱল বর্ণনাহে (description) হ'ব। এটা বর্ণনা যিকোনো দেখা বস্তুৰ লিখিত ৰূপ মাথোন। ই সম্পূর্ণ বস্তুনিষ্ঠ আৰু নৈর্ব্যক্তিক। এটা উদাহৰণ দিয়া হ'ল—

"**তেওঁ বৰ ক্লান্ত**"; ই এটা বর্ণনা, ইয়াত কোনো ঘটনা নাই। কিন্তু "তেওঁ দহ কি. মি. বাট খোজকাঢ়ি আহিছে, সেয়েহে তেওঁ বৰ ক্লান্ত" এই বাক্যটোত ঘটনা অথবা কার্য আছে; সেয়ে **ইয়াত বৃত্তান্তৰ লক্ষণ আছে।**

অর্থাৎ, বৃত্তান্তৰ সৃষ্টি হ'বলৈ হ'লে এটা ঘটনা অথবা ঘটনাৰাজিৰ বর্ণনাৰ সৈতে তাৰ কার্য-কাৰণগত সম্পর্ক স্থাপন হ'বই লাগিব।

১০.৪ বৃত্তান্ত কথন, কথক, বৃত্তান্তৰ ধৰণ আৰু দৃষ্টিভংগী, শ্রোতা নাইবা সম্বোধিত ব্যক্তি

কথন ঃ বৃত্তান্ত সৃষ্টিৰ প্রক্রিয়া।

কথক ঃ ঘটনা অথবা অভিজ্ঞতাৰ কথা ক'বলৈ যাৰ দৃষ্টিভংগী ব্যৱহাৰ কৰা হয়, ঘটনাৰ বিভিন্ন উপাদান আৰু তাৰ বিবিধ বৈচিত্র্য (সংলাপ, স্থান, অতীত ঘটনাৰ প্রতিবেদন, চৰিত্রৰ প্রতিফলন ইত্যাদি) যিয়ে বৃত্তান্তৰ চৰিত্রবোৰ সু-শৃংখল কৰি আগবঢ়াই দিয়ে, তেওঁৰেই কথক। এটা কথা নাইবা গল্প বুজোতে আমাৰ দৃষ্টি তৎক্ষণাৎ কথকৰ ফালে ধাবিত হয়। তেওঁৰ দৃষ্টিভংগী কি, ঘটনাসমূহৰ মাজত কি সম্পর্ক স্থাপন হৈছে, বৃত্তান্ত শৃংখলাৰদ্ধ নে শিথিলভাৱে জোৰা লগোৱা হৈছে—কথন পদ্ধতি আৰু ৰূপৰ আলোচনাত কথকৰ দৃষ্টিভংগীৰ এই বিশেষ দিশবোৰৰ বিশ্লেষণ আৰু চিনাক্তকৰণ মুখ্য বিষয়।

মহাভাৰত এখন ভাৰতীয় মহাকাব্য। মৌখিক পৰম্পৰা মতে মহামুনি ব্যাসদেৱে ইয়াৰ

ঘটনাবোৰ স্বচক্ষে দেখিছিল। পাছত তেওঁ ইয়াক এক মহৎ বৃত্তান্ত ৰূপে কৈ যায়। সেয়েহে ব্যাসদেৱ ইয়াৰ মূল কথক। তেওঁ এই কাহিনীৰ সাক্ষী স্বৰূপ আছিল আৰু আংশিকভাৱে ঘটনাত অংশগ্রহণকাৰী এক চৰিত্র আছিল। বিভিন্ন ঘটনা প্রক্রিয়াৰ মাজত একাধিকবাৰ তেওঁ উপস্থিত আছিল। সেয়েহে তেওঁ বাহ্যিক আৰু আভ্যন্তৰীণ উভয় ধৰণৰ কথক (narrator)। কাহিনী প্রচাৰৰ দৃষ্টিকোণ আছিল মানৱৰ কল্যাণ, ধর্ম, অনুশাসন আৰু জীৱনৰ উদ্দেশ্য ব্যাখ্যা।

বৃত্তান্তৰ ধৰণ ঃ কোনো ঘটনা নাইবা অভিজ্ঞতাৰ বর্ণনা কেনেদৰে কৰা হৈছে অথবা দর্শক নাইবা পাঠকলৈ কি দৰে আগবঢ়োৱা হৈছে সেয়াই 'বর্ণিত কথাৰ ধৰণ নির্দ্ধাৰিত কৰে। কথন ৰীতি নাইবা ধৰণ আলোচনা কৰাৰ সময়ত দৃষ্টিভংগীৰ বিশ্লেষণ আৰু চিনাক্তকৰণে সহায় কৰে।

'কথন'ৰ দৃষ্টিভংগী

কথকে যিটো দৃষ্টিকোণেৰে কোনো ঘটনা অথবা অভিজ্ঞতা লক্ষ্য কৰে, সেয়াই দৃষ্টিভংগী।

(১) প্রথম পুৰুষত 'বর্ণিত কথা'

প্রথম পুৰুষে কোৱা ঘটনাবোৰ কথকে 'মই' বুলি উল্লেখ কৰে। তেওঁ তাত স্থান, কাল, পাত্র সকলোৰে সর্বজ্ঞ হয়। সাধাৰণতে এই শ্রেণীৰ বৃত্তান্তত নিজৰ কাহিনীত কথক নিজেই চৰিত্র আৰু তেওঁ নিজৰ দৃষ্টিভংগীৰে কাহিনীটো উপস্থাপন। ই কথকক চৰিত্রসমূহৰ অন্তর্নিহিত অনুভৱ প্রকাশ কৰাত সহায় কৰে। মামণি ৰয়চম গোস্বামীৰ 'জখমী যাত্রী' উপন্যাসত প্রথম পুৰুষৰ বর্ণিত কথা প্রয়োগ হৈছে। উপন্যাসখন আৰম্ভ হৈছে এনেদৰে -

> "হৰনাথ সিং মাস্তানাক মই দিল্লীৰ সিং সভা ৰ'ডত প্রথমতে লগ পাইছিলো। প্রায় ছয় ফুট ওখ, দীঘল ডাঢ়ি, গাখীৰৰ দৰে গাৰ ৰং, উন্নত নাক আৰু এযোৰ সুন্দৰ চকুৰে সৈতে এই শিখ যুৱতীগৰাকীয়ে মোক ভগৱান যীশুৰ ছবি এখনৰ কথা মনত পেলাই দিছিল..."

মহিম বৰাৰ 'কাঠনিবাৰী ঘাট' গল্পটিও প্রথম পুৰুষৰ বর্ণিত কথাৰেই আৰম্ভ হৈ শেষ হৈছে।

(২) **দ্বিতীয় পুৰুষত 'বর্ণিত কথা'**

চিঠি, উপহাৰ-পত্র, কবিতা, গীতি-কবিতা, গীত আদি সাধাৰণতে দ্বিতীয় পুৰুষত থকা বর্ণিত কথাৰ উদাহৰণ। এনে বর্ণিত কথাত কথকে বৃত্তান্তৰ কোনো 'চৰিত্র'ক 'তুমি' বুলি উল্লেখ কৰে আৰু পাঠকক এনে এটা ধাৰণা দিয়ে যে সেই চৰিত্রটোও বর্ণিত কথাৰ অংশ। ইয়াত কথক আৰু পাঠকৰ মাজত এটা অন্তৰংগতা স্থাপন হয়। সমীৰ তাঁতীৰ ভালেমান গদ্য ৰচনাত দ্বিতীয় পুৰুষত 'বর্ণিত কথা'ৰ প্রয়োগ দেখা যায়। উপন্যাস নাইবা চুটিগল্পত দ্বিতীয় পুৰুষত বর্ণিত কথা বিৰল।

(৩) **তৃতীয় পুৰুষত 'বর্ণিত কথা'**

এনে শ্রেণীৰ 'বর্ণিত কথা'ত প্রত্যেকটো চৰিত্রকে 'তেওঁ', 'সি', 'তাই', 'তেওঁলোক', 'সিহঁত' বুলি উল্লেখ কৰা হয়। ইয়াত 'মই' নাইবা 'আমি' প্রয়োগ নহয়। 'কথক' চৰিত্রবোৰৰ ক্রিয়া কলাপৰ মাজত নোসোমায়, তেওঁ দর্শকৰূপে মাথোন কাহিনী কৈ যায়। ভবেন্দ্রনাথ শইকীয়াৰ 'অন্তৰীপ', চৈয়দ আব্দুল মালিকৰ 'স্বপ্নভংগ' আদি উপন্যাসসমূহত তৃতীয় পুৰুষ বর্ণিত কথাৰ প্রয়োগ লক্ষ্য কৰিব পাৰি।

এনে ধৰণৰ বর্ণিত বা কথাত কথকে আত্মসচেতন হৈ অবিচ্ছিন্নভাৱে কাহিনীত নিজৰ মন্তব্য প্রকাশ কৰি যাব পাৰে, আনকি অনধিকাৰমূলকভাৱে বহুবন্ধীও হ'ব পাৰে (তেনে ক্ষেত্রত এনে বৃত্তান্ত প্রথম পুৰুষত বর্ণিত কথা বুলি বিভ্রান্তিৰ সৃষ্টি হ'ব পাৰে); অথবা সম্পূর্ণ বিচ্ছিন্ন হৈ থাকি নৈর্ব্যক্তিকভাৱেও কাহিনী কৈ যাব পাৰে।

এগৰাকী সর্বজ্ঞ কথকৰ দৃষ্টিভংগী বহল। তেওঁ সকলো চৰিত্রৰ আভ্যন্তৰত প্রৱেশ কৰিব পাৰে আৰু কাহিনীৰ সকলো ঘটনা-পৰিঘটনাৰ বিষয়ে জানে। প্রথম পুৰুষত বর্ণিত কথাত কথক যিহেতু নিজেই এটা চৰিত্র আৰু তেওঁৰ সেই চৰিত্রৰ ভূমিকাৰ সৈতেহে সম্পর্ক থাকে বাবে তেওঁৰো দৃষ্টিভংগী সীমিত হ'ব পাৰে।

শ্রোতা নাইবা সম্বোধিত ব্যক্তি (Narratee)

কথনৰ আন এটা গুৰুত্বপূর্ণ দিশ হ'ল শ্রোতা নাইবা সম্বোধিত ব্যক্তিৰ স্থিতি। কেতিয়াবা বৃত্তান্তবোৰত কোনো পৰোক্ষ অথবা কল্পিত ব্যক্তি থাকে যাক সম্বোধন কৰি কথা কোৱা হয়। কোনো কোনো গ্রন্থত পাঠকক প্রত্যক্ষভাৱেও সম্বোধন কৰা হয়। আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্র'ত বহু ঠাইত ফুকনে শিক্ষার্থী-পাঠকসকলক 'হে প্রিয় ল'ৰাবিলাক' ৰূপে সম্বোধন কৰিছে।

আকৌ, কোনো কল্পিত কাহিনীত শ্রোতা নিজেই চৰিত্র হ'ব পাৰে। নৰকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়'ত মুখ্য চৰিত্রৰূপে আইতাৰ মুখেৰে প্রায় গোটেই কাহিনীটো শুনি যোৱা হেমন্ত নিজেও উপন্যাসখনৰ গুৰুত্বপূর্ণ চৰিত্র।

ভাৰতীয় পৰম্পৰাগত 'বৃত্তান্ত'সমূহত, বিশেষকৈ পুৰাণৰ বৃত্তান্তসমূহত, বক্তা আৰু শ্রোতাৰ শক্তিশালী স্থিতি দেখা যায়। মহাভাৰত ৰ উল্লেখ পূর্বতে কৰা হৈছে। মহাভাৰতত তিনিটা স্তৰৰ শ্রোতা আছে। ব্যাসদেৱে তেওঁৰ পুত্র শুকদেৱক মহাভাৰতৰ কথা ব্যাখ্যা কৰিছে। শুকৰ মুখৰ পৰা অন্য শিষ্যসকললৈ মহাভাৰতৰ কথা বাগৰিছে। ব্যাসদেৱৰ অন্যতম শিষ্য বৈশম্পায়ন ঋষিয়ে ৰজা পৰীক্ষিতৰ পুত্র জন্মেজয়ৰ আগত কাহিনীটো বর্ণনা কৰিছে। বৈশম্পায়নে কোৱা মতে লোমহর্ষণৰ পুত্র সুতমুনিয়ে আকৌ নৈমিষাৰণ্যত অন্যান্য ঋষিসকলৰ আগত কাহিনীটো কৈছে। সেই ফালৰ পৰা বিচাৰ কৰি ৰজা ধৃতৰাষ্ট্রকো কিছু পৰিমাণে মহাভাৰতৰ শ্রোতা বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'বৃত্তান্ত'ৰ সংজ্ঞা নিৰূপণ কৰক

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ বৃত্তান্তৰ বাবে দুটা গুৰুত্বপূর্ণ কাৰক কি?

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ বৃত্তান্তৰ দৃষ্টিভংগী কেনেধৰণৰ হ'ব পাৰে?

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ তলত উল্লেখ কৰা উক্তিকেইটা শুদ্ধ নে অশুদ্ধ

(ক) 'নেৰেটিভ' (Narrative) শব্দটো আহিছে গ্রীক শব্দ *narrare*ৰ পৰা।

(খ) বর্ণিত কথাই সাধাৰণতে আমাক কাহিনীৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ লৈ যায়।

(গ) তৃতীয় পুৰুষত বর্ণিত কথাত কথকৰ কাল, পাত্র আৰু স্থানৰ সর্বজ্ঞতা থাকে।

প্রশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) বর্ণিত কথা সৃষ্টি কৰাৰ প্রক্রিয়াকে ..... বোলে।

(খ) আনুক্রমিকভাবে পৰিৱেশন কৰা ঘটনাসমূহৰ বিৱৰণেই হৈছে.....।

(গ) বর্ণিত কথা মৌখিক আৰু ..... হ'ব পাৰে।

(ঘ) ..... পুৰুষত বর্ণিত কথাত কথকে বাহিৰৰ লোক হিচাপে কাহিনীৰ ঘটনা-পৰিঘটনাসমূহ বর্ণনা কৰে।

(ঙ) ..... পুৰুষত বর্ণিত কথাই কথকক চৰিত্রসমূহৰ অন্তৰংগ প্রতিক্রিয়াৰ অনুভৱ ব্যক্ত কৰোৱাত সহায়ক হয়।

(চ) ..... পুৰুষত বর্ণিত কথাৰ প্রয়োগেই গীতি-কবিতাত সচৰাচৰ দৃষ্টিগোচৰ হয়।

(ছ) বর্ণিত কথাত ..... প্রত্যক্ষদর্শী হোৱা ঘটনাসমূহৰ স্মৃতিচাৰণ নাইবা বর্ণনা সংযোজন ঘটে।

১০.৫ কথনৰ প্রকাৰ

সুনির্মিত বৃত্তান্তৰ যোগেদি এগৰাকী ব্যক্তিৰ পৰা অন্য এজনলৈ অভিজ্ঞতা সলনি কৰাৰ বাবে সাধাৰণতে কথনৰ তলত উল্লেখ কৰা প্রকাৰবোৰ প্রয়োগ হয়।

১। কবিতা

২। লোককথা নাইবা সাধু

৩। উপন্যাস

৪। চুটি গল্প

৫। চলচ্চিত্র

৬। ৰচনা নাইবা প্রৱন্ধ

৭। সংবাদ পত্রৰ বাতৰি-প্রতিবেদন

৮। বিজ্ঞাপন

১০.৬ কথনৰ উপাদান

যি ক্রমত ঘটনাবোৰ ঘটে সেই একে ক্রমতে বৃত্তান্তৰো সৃষ্টি হয়। এগৰাকী ভাষাবিদ উইলিয়াম লাব'ভে (Labov) নিউয়র্কৰ যুৱ চামৰ মৌখিক গল্পবোৰ অধ্যয়ন কৰি কৈছিল যে ব্যক্তিগত অভিজ্ঞতাৰ পূর্ণাঙ্গ ৰূপত প্রস্তুত হোৱা মৌখিক বৃত্তান্ত তলত উল্লেখ কৰা ছয়টা অপৰিহার্য অংশ থাকে।

(১) বিষয়ৰ সংক্ষিপ্ত-সাৰ (abstract) ঃ
সংক্ষেপতে গল্পটোৰ বিষয় কি?

(২) অভিবিন্যাস (Orientation) ঃ
কোনে, কেতিয়া, ক'ত আৰু কি?

(৩) জটিলতা সৃষ্টি (Complicating action) ঃ
তাৰ পাছত কি হ'ল?

(৪) মূল্যায়ন (Evaluation) ঃ
কাহিনীটো কেনেকৈ আকর্ষণীয় হ'ল?

(৫) সমাধান (Resolution) ঃ

শেষত চূড়ান্তভাৱে কি ঘটিল?

(৬) ক'ডা *(Coda)* ঃ

পূৰ্ৱৱৰ্তী অৱস্থালৈ পুনৰানয়ন।

লাব'ভৰ মতে এটা আৰ্হিমূলক বৃত্তান্তৰ কেইটামান বৈশিষ্ট্য আছে। আনুক্ৰমিকভাৱে সজোৱা ঘটনাবোৰৰ এটা পৰিপূৰ্ণ সমষ্টি থাকিব লাগিব আৰু সেইবোৰৰ মসৃণ অৱস্থান্তৰ ঘটিব লাগিব; এনেদৰে উপস্থাপিত হোৱা অৱস্থান্তৰ আকৰ্ষণীয়, শিক্ষণীয়, উপভোগ্য আৰু কথন যোগ্য হ'ব লাগিব। যদিও লাব'ভৰ সূত্ৰৱদ্ধ গাঁথনিক বৈশিষ্ট্যবোৰৰ ভিত্তি আছিল তেওঁৰ নিজৰ বিশ্লেষণ, তথাপিও সেইবোৰ যিকোনো মৌখিক নাইবা লিখিত বৃত্তান্তৰ বিশ্লেষণতে প্ৰযোজ্য হ'ব পাৰে।

(১) **বিষয়ৰ সংক্ষিপ্ত সাৰ ঃ**

সাধাৰণতে এটা বৃত্তান্ত সংক্ষিপ্ত-সাৰে আৰম্ভ হয়। চুটিগল্পৰ শিৰোনাম নাইবা সংবাদপত্ৰৰ শীৰ্ষকে সংক্ষেপতে মূল কথাখিনিৰ এটি আভাস চিত্ৰিত কৰে। সেয়ে ইয়াক বৃত্তান্তৰ সংক্ষিপ্ত সাৰ বুলি কোৱা হয়।

(২) **অভিবিন্যাস ঃ**

গল্পৰ স্থান-কাল-পাত্ৰ আদিক খাপ খুৱাই যেতিয়া বৃত্তান্তই এক অৱয়ৱৰ ধা�ৰণ কৰে তেতিয়াই তাকে অভিবিন্যাস বুলি ক'ব পৰা যায়। সেয়ে বিন্যাসক প্ৰায়ে বৃত্তান্তৰ সংস্থাপন (setting) বোলা হয়। ই বৃত্তান্তৰ সামগ্ৰিক অৰ্থক ব্যাপক কৰি তুলিব পৰা আৱশ্যকীয় পৰিৱেশো সৃষ্টি কৰে। ক্ৰিয়া, কাল, স্থান আৰু প্ৰাৰম্ভিক আচৰণৰ সৈতে শ্ৰোতাক এই অভিবিন্যাসে পৰিচয় কৰাই দিয়ে। থোৱতে ক'বলৈ গ'লে বৃত্তান্তৰ এই অংশটোৱে 'কোন', 'ক'ত', 'কেতিয়া' আদি প্ৰশ্নবোৰৰ যোগান ধৰে। ক্ৰিয়া-কলাপ, সময় আৰু ঘটনাসমূহ সংঘটিত হোৱা স্থানৰ জড়িত বিজৰিত ব্যক্তিসকলক বৰ্ণনা কৰা বাক্যবোৰ এই অভিবিন্যাস অংশত প্ৰয়োগ হয়।

(৩) **জটিলতা সৃষ্টি ঃ**

বৃত্তান্তৰ দীৰ্ঘতম বিভাগটোৱেই হৈছে কাহিনীৰ বিস্তাৰৰ। ইয়াতেই বৃত্তান্তৰ আনুক্ৰমিক ঘটনাবোৰ বৰ্ণনা কৰা হয় আৰু বৃত্তান্তৰ প্ৰভাৱ গভীৰ কৰিবলৈ চৰিত্ৰবোৰৰ কাৰ্য-কলাপো বিস্তাৰিতভাৱে বৰ্ণনা কৰা হয়।

(৪) **মূল্যায়ন ঃ**

কথক আৰু পাঠকৰ প্ৰতি বৃত্তান্তৰ প্ৰাসংগিকতাক মূল্যায়নে স্পষ্ট ৰূপত দাঙি ধৰে।

(৫) **সমাধান ঃ**

এই অংশত বৃত্তান্ত পৰিসমাপ্তিৰ ফালে আগবাঢ়ি যায়। চূড়ান্তভাৱে কি ঘটিল তাৰ এক ছবি স্পষ্ট হয় আৰু শ্ৰোতা পাঠকে এক সামৰণিৰ ধাৰণা লাভ কৰে।

(৬) **'পূৰ্ৱৱৰ্তী অৱস্থালৈ পুনৰানয়ন' ঃ**

এই ভাগটোৱে কথক আৰু শ্ৰোতা নাইবা পাঠকক এনে এটা বিন্দুলৈ লৈ যায় য'ত তেওঁলোকে বৃত্তান্ত শুনা/পঢ়া আৰম্ভ কৰিছিল। কথক নাইবা পাঠকে লাভ কৰা কোনো নীতিশিক্ষাও এই অংশত অন্তর্ভুক্ত হ'ব পাৰে।

উল্লেখ্য যে এই ছয়টা উপাদানেই এটা বৃত্তান্তত সমানভাবে গুৰুত্ব নাপায়। বৃত্তান্তৰ গুণাগুণ আৰু স্বৰূপৰ বৈশিষ্ট্যৰ ভিত্তিত কথকে সেই উপাদানসমূহৰপৰা কেইটামানক প্ৰধান উপাদান বাছি ল'ব পাৰে আৰু উপাদানসমূহৰ ক্ৰম এগৰাকী নিপুণ কথকে ওলট-পালট কৰি ল'বও পাৰে। কোনো প্ৰতিভাশালী ঔপন্যাসিকে আৰম্ভণিতে পাঠকক কথনৰ প্ৰকৃতটো সঠিককৈ নোকোৱাকৈও বিশেষ ফলপ্ৰসূ আৱেদন সৃষ্টিৰ বাবে অভিবিন্যাস অংশটো বাদ দিও আগবাঢ়িব পাৰে।

বৃত্তান্তৰ প্ৰধান লক্ষণসমূহ ঃ

১। বৃত্তান্ত ঘটনাসমূহৰ বিৱৰণ।
২। বৃত্তান্ত ঘটনাসমূহৰ অনুক্ৰম।
৩। বৃত্তান্তই পূৰ্ব-নিৰূপিত নমুনা এটাক অনুসৰণ কৰে।
৪। প্ৰাৰম্ভিক অৱস্থাত এটা দৃশ্যসজ্জা উপস্থাপন আৰু চৰিত্ৰসমূহৰ পৰিচয়ে বৃত্তান্ত নিৰ্মাণ আৰম্ভ হয়।
৫। বৃত্তান্তই উদ্বিগ্নতা, উত্তেজনা, সংঘাত নাইবা ৰহস্যৰ বিস্তাৰ কৰে আৰু পাছত সেইবোৰ আগবঢ়ায়।
৬। বৃত্তান্তই কাহিনীৰ চৰম বিন্দু (cilmax) নিৰ্মাণ কৰে।
৭। বৃত্তান্তই সমাধানৰ ফালে কাহিনী এটাক আগবঢ়াই নিয়ে।

১০.৭ বৃত্তান্তৰ বৰ্ণনা উপযুক্ততা আৰু বিশ্বাসযোগ্যতা



বৰ্ণিত পাঠৰ এই দুয়োটা গুণ থাকিব লাগিব। এটা পাঠৰ ঘটনাই কথনৰ উপযুক্ততা আৰু বিশ্বাসযোগ্যতাৰ বিচাৰ্য মান লাভ কৰাটো অত্যন্ত প্ৰয়োজনীয়। সকলো ঘটনা নাইবা অভিজ্ঞতাই বৰ্ণনাৰ যোগ্য হ'ব নোৱাৰে। 'কথকে' কোনটো ঘটনা নাইবা অভিজ্ঞতা বৰ্ণনাৰ বাবে উপযুক্ত সেইটো বিচাৰ কৰি সিদ্ধান্ত ল'ব লাগিব। এনে কিছুমান ঘটনা চুড়ান্ত সংঘটিত হয়,

যিবোৰ অন্যান্য বহু ঘটনাতকৈ অধিক বর্ণনাযোগ্য আৰু বিশ্বাসযোগ্য। কোনো ঘটনাৰ কথন যোগ্যতা পাঠক নাইবা শ্রোতাৰ সৈতে কথকৰ সম্পর্ক আৰু প্রসংগ-সংগতি নির্ভৰশীল। এখন ধর্মীয় সমাজত ধর্মালোচনাৰ বর্ণনাত এগৰাকী ব্যক্তিয়ে কেনেকৈ ধর্মগ্রন্থ এখন মুখস্থ কৰিছিল সেইটো বর্ণনাযোগ্য হ'ব পাৰে। কিন্তু এখন ৰন্ধন প্রণালীৰ কিতাপ অথবা এখন ঔষধ ব্যৱহাৰৰ নির্দেশনাৱলী থকা কিতাপত উল্লিখিত বর্ণনা খাপ খাব নে? নিশ্চয় নাথায়।

বর্ণন-উপযুক্ততাৰ সৈতে বৃত্তান্তৰ বিশ্বাসযোগ্যতাও থাকিব লাগিব। বৃত্তান্তৰ বিশ্বাস জন্মাব পৰা ক্ষমতা নাথাকিলে পাঠক নাইবা শ্রোতাই তাক কেতিয়াও গ্রহণ নকৰে। সেইবাবে 'কথক' অথবা লিখকসকল সদায় সমল-স্রষ্টা হ'ব লাগে, যাতে তেওঁলোকৰ সৃষ্ট বৃত্তান্তই পাঠকৰ মনত বিশ্বাসযোগ্যতাৰ ধাৰণা গঢ়ি তুলিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ উইলিয়াম লাব'ভৰ মতে বৃত্তান্তৰ ছয়টা উপাদান কি কি?

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ তলৰ উক্তিকেইটা শুদ্ধনে অশুদ্ধ লিখক।

(ক) লাব'ভে সূত্রৱদ্ধ কৰা বৃত্তান্ত নির্মাণৰ অংশবোৰ লিখিত সাহিত্যৰ বিশ্লেষণৰ আধাৰত নিৰূপণ কৰা হৈছিল।

(খ) চুটি গল্পৰ শিৰোনামকে বৃত্তান্তৰ বিষয়বস্তুৰ সংক্ষিপ্ত সাৰ বুলিব পাৰি।

(গ) অভিবিন্যাস অংশটোৱে স্বাভাৱিকতে বৃত্তান্তৰ দীর্ঘতম অংশটো গঠন কৰে।

(ঘ) পূর্বৱর্তী অৱস্থালৈ পুনৰানয়নে বৃত্তান্তৰ প্রাসংগিকতা স্পষ্ট কৰি তোলে।

প্রশ্ন নং ৮ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) অভিবিন্যাসক বৃত্তান্তৰ ..... বোলা হয়।

(খ) .....অংশটো স্বাভাৱিকতে বৃত্তান্তৰ দীর্ঘতম অংশ।

(গ) এটা বৃত্তান্তত ছয়টা উপাদানেই ..... গুৰুত্বপূর্ণ নহয়।

১০.৮ ৰৈখিক আৰু অৰৈখিক বৃত্তান্ত গাঁথনি

এটা বৃত্তান্তই আদি, মধ্য আৰু শেষ অংশবোৰৰ বিভাজন ৰক্ষা কৰি সুষমভাবে এক সৰল ৰেখাত ক্ৰমে ক্ৰমে আগবাঢ়ি যাব পাৰে। তেনে 'বৃত্তান্ত'ক ৰৈখিক বৃত্তান্ত বোলা হয়। সৰল ৰৈখিকভাবে আগনবঢ়া বৃত্তান্তৰ বিপৰীত হ'ল অৰৈখিক। এনে ৰেখাবিহীন বৃত্তান্তবোৰক 'অৰৈখিক বৃত্তান্ত বোলা হয়। এনে অৰৈখিক বৃত্তান্তত কথকে মধ্যৱস্থা শেষ নকৰাকৈয়ে কাহিনীৰ সমাপ্তি বৰ্ণনা কৰে। প্ৰফুল্ল দত্ত গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি' এই শ্ৰেণীৰ উপন্যাস।

যেতিয়া কথকে অৰৈখিক গঠনাকৃতিত ঘটনাবোৰৰ বৰ্ণনা কৰে, তাত অনুক্ৰম আৰু কালানুক্ৰম সাধাৰণতে অনুসৰণ কৰা নহয়। এনে অৱস্থাত বৃত্তান্তত জটিলতাৰ সংযোজন হয়। এক জটিল অৱয়ৱৰ বৃত্তান্তত তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰ থাকে।

১। সংস্মৰণ
২। অগ্ৰৱৰ্তী ঘটনাৰ বৰ্ণনা
৩। পুনৰাবৃত্তি
৪। স্বপ্নক্ৰম
৫। বিভিন্ন সময়ৰ ধাৰণা
৬। পশ্চাদৱৰ্তী কাহিনী-কথন

সংস্মৰণ (flash-back) এক কথন কৌশল। বৰ্তমান দৃশ্যক্ৰমৰ ঘটনা ঘটাৰ ঠিক আগতে কিছুমান প্ৰয়োজনীয়ভাবে প্ৰাসংগিক ঘটনাৰ সমষ্টি এই পদ্ধতিৰে উপস্থাপন কৰা হয়। কাহিনীৰ প্ৰধান ঘটনাক্ৰমৰ আগতে ঘটা সংগতি থকা কাহিনীবোৰ ইয়াত স্মৰণ কৰা হয়। সাহিত্য, টেলিভিছন, চলচ্চিত্ৰত এই কৌশল সঘনে প্ৰয়োগ কৰা হয়।

কথকে সেইদৰে অগ্ৰৱৰ্তী ঘটনাৰ বৰ্ণনাও (flash-forward) উপস্থাপন কৰিব পাৰে। ই হ'ল আসন্ন প্ৰত্যাশিত, পৰিকল্পিত আৰু কল্পিতৰ ঘটনা উল্লেখ। কাল্পনিক ৰোমাঞ্চকৰ ৰহস্য উপন্যাসবোৰত এই কৌশলৰ সঘন প্ৰয়োগ দেখা পোৱা যায়।



জানি থোৱা ভাল

পশ্চাদৱৰ্তী কাহিনী কথন (backward story-telling) বৃত্তান্ত বৰ্ণনৰ এটা কৌশল, য'ত কাহিনীৰ শেষভাগ প্ৰথমে বৰ্ণিত হয় আৰু বৃত্তান্তৰ জৰিয়তে ইয়াক ব্যাখ্যা কৰা হয়।

কথকে ব্যৱহাৰ কৰা কথন প্ৰকাৰে পাঠক নাইবা শ্ৰোতাৰ দৃষ্টিভংগী নিয়ন্ত্ৰণ কৰে। ঘটনাবোৰ আনুক্ৰমিকভাৱে যেনেকৈ ঘটি আছিল তাৰ পৰা সেইবোৰক লৈ আহি

বিভিন্ন ক্ৰমত কথকে বৰ্ণনা কৰে। ইয়াৰ উদ্দেশ্য হৈছে বৃত্তান্তৰ বিষয় বস্তুক এক নতুন অৰ্থ প্ৰদান কৰা আৰু পাঠক-শ্ৰোতাক বিভিন্ন দিশেৰে কাহিনীটো চালি-জাৰি চাবলৈ উৎসাহিত কৰা।



জানি থোৱা ভাল

কাহিনীয়ে বৃত্তান্তত ব্যৱহাৰ হোৱা অশোধিত উপাদানখিনি (raw materials)ৰ সৈতে আমাৰ সম্বন্ধ স্থাপন কৰি দিয়ে। কাহিনী পৰিকল্পনাই (plot) কাহিনীটো কেনেকৈ বৰ্ণনা কৰা হৈছে সেই সম্পৰ্কে আঙুলিয়াই দেখুৱায়। গতিকে বৃত্তান্ত গাঁথনিত (narrative structure) বৃত্তান্তৰ বিষয় বস্তু (content) আৰু তাক কোৱাৰ ৰূপ (form of story-telling) দুয়োটাই অন্তৰ্ভুক্ত হৈ থাকে। অৰ্থাৎ, বিষয়বস্তু (content) আৰু কথনৰ ৰূপ (form) বৃত্তান্তত সমানেই গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয়।

১০.৯ বৃত্তান্তৰ অনুচ্ছেদ

কোনো এটা নিৰ্দিষ্ট বিষয়ৰ সুনিৰ্দিষ্ট বক্তব্য উপস্থাপনৰ বাবে সুশৃংখল, ঐক্যৱদ্ধ আৰু স্বাভাৱিক ক্ৰমানুসাৰে যিকেইটা বাক্য ৰচনা কৰা হয় তাকেই আমি অনুচ্ছেদ (paragraph) বুলি কওঁ। এখন ৰচনা নাইবা এটা বৃত্তান্তৰ প্ৰথমটো সোপানেই হ'ল অনুচ্ছেদ ৰচনা। কথনৰ বিষয়টো পাঠক নাইবা শ্ৰোতাক সামগ্ৰিক আৰু সহজভাৱে বোধগম্য কৰোৱাবলৈ বৃত্তান্তৰ উপস্থাপনত এটা স্পষ্ট অনুচ্ছেদ বিভাজনৰ প্ৰয়োজন। আৰু অনুচ্ছেদ নিৰ্মাণত কিছুমান নীতি অনুসৰণ কৰা হয়।

বৃত্তান্তৰ অনুচ্ছেদবোৰে একোটা অভিজ্ঞতা বৰ্ণনা কৰে। কথকৰ উদ্দেশ্যৰ ভিত্তিত অনুচ্ছেদৰ বাক্যবোৰক বহু ধৰণে সজাব পাৰি। বৰ্ণনাত্মক বৃত্তান্তত এটা অভিজ্ঞতাক জড়িত কৰি সময়-শৃংখলানুসাৰে তাক আনুক্ৰমিকভাৱে সজোৱাটো জটিল কথা নহয়। কাৰণ এটা, বস্তুৰ আৱয়বিক প্ৰকাশৰ বৰ্ণনা আগবঢ়োৱাত কাল নহয়, স্থান (space) হে গুৰুত্বপূৰ্ণ। বস্তুৰ প্ৰকৃত স্বৰূপ বৰ্ণনা কৰোতে বস্তুৰ অৱস্থান অনুসৰি বাক্যবোৰ সংগঠিত কৰিব লাগে। এনে ধৰণৰ সংগঠনক স্থানিক সংগঠন (spatial organisation) বোলা হয়।

ঐক্যৱদ্ধতা (unity) আৰু বিষয় বাক্য (topic-sentence) ঃ

এটা অনুচ্ছেদ সু-সংহত আৰু ঐক্যৱদ্ধ হ'ব লাগিব। মূল বিষয় নাইবা প্ৰসংগটোৰ সৈতে ইয়াৰ বাক্যবোৰৰ স্পষ্ট সম্পৰ্ক থাকিব লাগিব। অনুচ্ছেদটো লিখোঁতেই মনত ৰাখিবলগীয়া প্ৰথম কামটো হৈছে বিষয় নাইবা প্ৰসংগ নিৰ্দ্ধাৰণ। সেই প্ৰসংগটোৰ সম্পৰ্ক মূল বিষয়ৰ সৈতে। যিটো বাক্যই অনুচ্ছেদটোৰ সূচনা কৰে সেইটোৱে সচৰাচৰ বিষয়-বাক্য (topic sentence)।

সেই বাক্যটোৱে অনুচ্ছেদটোৰ কেন্দ্রীয় বিষয়টোৰ আভাস দিব লাগিব।

বিষয়বস্তুৰ আৰম্ভণি কৰাৰ উপৰি বিষয়- বাক্যটোৱে বিষয়টোক কেন্দ্র কৰি থকা দৃষ্টিভংগীও প্রকাশৰে বিষয়টোৰ সৈতে জড়িত দৃষ্টিভংগীটোৱেই হ'ল অনুচ্ছেদটোৰ নিয়ন্ত্রণকাৰী ধাৰণা (controlling idea)। যিহেতু সকলো বাক্যই সুসমন্বিত আৰু পাৰস্পৰিক সম্পর্কযুক্ত সেয়ে অনুচ্ছেদৰ এই নিয়ন্ত্রণকাৰী ধাৰণাটোক বাক্যবোৰে বোধগম্য কৰি তুলিব লাগিব। ক'ব পৰা যায় যে অনুচ্ছেদৰ যদি এটা বাক্যয়ো মূল নিয়ন্ত্রণকাৰী ধাৰণাটো প্রকাশত অৰিহণা যোগোৱাত ব্যর্থ হয়,তেন্তে অনুচ্ছেদটো সুলিখিত বুলি ধৰা নহয়। গতিকে অনুচ্ছেদ এটাত মূল বিষয়টোৰ সৈতে প্রত্যক্ষভাৱে জড়িত হৈ থকা বাক্যবোৰহে থাকিব লাগিব। অনুচ্ছেদ এটা প্রস্তুত কৰোতে লেখকে নিজে সুধিব লাগিব—'অনুচ্ছেদৰ নিয়ন্ত্রক ধাৰণাটোক মোৰ সকলোকেইটা বাক্যই সমর্থন কৰিছেনে?'

অনুচ্ছেদৰ নিয়ন্ত্রক ধাৰণাটো পৰিচয় কৰাই দিয়া বিষয়-বাক্যটো অনুচ্ছেদৰ আৰম্ভণিতে সাধাৰণতে থাকে বুলি কোৱা হৈছে। কিন্তু কেতিয়াবা প্রকাশৰ ধৰণ অনুযায়ী ই অনুচ্ছেদৰ মাজত অথবা শেষতো থাকিব পাৰে।



চিন্তা-চর্চা কৰক

১। এটা শক্তিশালী নিয়ন্ত্রক ধাৰণাৰে সৈতে এটা বিষয়-বাক্য (topic-sentence) লিখক।

২। আনুক্রমিক বিকাশ প্রযোজ্য কৰি ভাৱবোৰ সুসজ্জিত কৰক।

৩। বাক্যবোৰৰ মাজত ঐক্যৰদ্ধতাৰে সু সঙ্গতি বজাই ৰাখক।

৪। সকলো বাক্যই বিষয়বাক্যৰ সৈতে যাতে সম্পর্ক থাকে, তালৈ লক্ষ্য ৰাখক।

৫। নিয়ন্ত্রণকাৰী ধাৰণাটোক (controlling idea) সকলো বাক্যই যাতে সমর্থন কৰে, তাৰ প্রতি লক্ষ্য ৰাখক।

বর্ণনামূলক নাইবা ব্যাখ্যানমূলক অনুচ্ছেদ ঃ (Descriptive or Expository Paragraph)

বর্ণনামূলক নাইবা ব্যাখ্যানমূলক অনুচ্ছেদ হৈছে পৰিদৃষ্ট ঘটনাৰ বিৱৰণ। এই বর্ণনাত বস্তুৰ প্রাকৃতিক অৱস্থান (location) হে মুখ্য। এই দৃষ্টিকোণেৰে এনেধৰণৰ অনুচ্ছে ৰচনা কৰা হয়। ইয়াৰ বিষয়-বাক্যক স্থান সংক্রান্তীয় সুসংগঠিত পুংখানুপুংখ বর্ণনাৰে সমর্থন কৰিব লাগিব। প্রসংগক্রমে উল্লেখ কৰা হৈছে যে স্থান সংক্রান্তীয় বর্ণনাৰ গুৰুত্ব দিয়া বাক্যৰ সংগঠনক স্থানিক সংগঠন বোলা হয়। কোনো স্থান, ব্যক্তি নাইবা বস্তুৰ চিত্র অঙ্কিত কৰিবলৈ বর্ণনামূলক লেখনিয়ে

ইন্দ্রিয়সংবেদী খুটিনাটিবোৰ (sensory details) ব্যৱহাৰ কৰে। এনেকুৱা অনুচ্ছেদৰ নিয়ন্ত্রক ধাৰণাটোৱে সাধাৰণতে বস্তুটোৰ বিষয়ে এক দৃষ্টিভংগী প্রকট কৰে। মনত পৰা চাপবোৰৰ ঐক্য (unity of impression) স্থাপন হ'ল এই প্রকাৰৰ অনুচ্ছেদৰ মূল লক্ষ্য। উদাহৰণস্বৰূপে, চাহাৰা মৰুভূমিৰ এক দৃশ্য বর্ণনা কৰোতে বর্ণনাই পাঠকক চাহাৰাৰ জ্বলন্ত বলুকাৰাশিয়ে সৃষ্টি কৰা অব্যৱহৃত বিশাল অঞ্চলৰ অনুর্ব্বতাৰ ধাৰণা দিবলৈ সক্ষম হ'ব লাগিব।

জানি থোৱা ভাল



১। স্থানিক সংগঠন (spatial organisation) প্রয়োগ কৰি অনুচ্ছেদত প্রকাশিত ধাৰণাটো সংগঠিত কৰিব লাগে।

২। বিষয়-বাক্যক (topic-sentence) প্রতিপাদন কৰাৰ বাবে তথ্য নাইবা উদাহৰণ ব্যৱহাৰ কৰিব লাগে।

৩। বাক্যবোৰ এনেভাবে সজাব লাগে যাতে সিহঁতে মূল ধাৰণাটোক সমর্থন কৰে।

৪। অনুচ্ছেদটো ঐক্যৱদ্ধ আৰু সুসমন্বিত কৰিব লাগে।

১০.১০ প্রৱন্ধ ৰচনাত কথন

প্রৱন্ধ, নিৱন্ধ অথবা ৰচনা শব্দকেইটাক ইংৰাজী 'Essay' শব্দৰ সমার্থক ৰূপে আমি গ্রহণ কৰো। ই যুক্তি-তর্ক-তথ্য সমৃদ্ধ যিকোনো বিষয়ৰ এক গদ্য ৰচনা। ইয়াত লিখকে বিষয় সম্পর্কে নিজৰ বক্তব্য, মনোভাৱ আৰু মতামত প্রকাশ কৰে। এনে ৰচনাই সুকীয়া পাঠকক উপস্থাপিত বিষয়টোক এটা দৃষ্টিকোণেৰে চাবলৈ উদ্বুদ্ধ কৰে।

ভাৰতীয় আলংকাৰিকসকলৰ মতে প্রৱন্ধ গদ্য-পদ্য উভয় মাধ্যমতে ৰচিত হ'ব পাৰে। কিন্তু এতিয়া প্রৱন্ধ বুলিলে গদ্য ৰচনাকহে বুজা যায়।

প্রৱন্ধ ৰচনা বৃত্তান্তমূলক (narrative) অথবা বর্ণনাত্মক (descriptive) হ'ব পাৰে।

ক) বৃত্তান্তমূলক প্রৱন্ধৰ মৌলিক বৈশিষ্ট্যসমূহ ঃ

১। এটা অভিজ্ঞতাক সজীৱতা প্রদান কৰি পুনৰগঠন কৰা এনে প্রৱন্ধ হ'ল উদ্দেশ্যৰ লিখা লেখনী।

২। ই কথকৰ নিজা অথবা অন্য কাৰোবাৰ অভিজ্ঞতাৰ ভেটিত ৰচিত।

৩। ই এটা বার্তা বহন কৰে।

৪। কথকে তেওঁৰ নিজা এনে ৰচনাত দৃষ্টিকোণ আৰোপিত কৰে।

খ) বৃত্তান্তমূলক প্ৰবন্ধ কেনেকৈ লিখিব লাগে ঃ

১। আপুনি ক'ব খোজা অভিজ্ঞতা এটা নিৰ্বাচন কৰক।

২। সেই অভিজ্ঞতা কথনৰ উপযুক্ত বুলি আপুনি কিয় বিবেচনা কৰে ভাবক।

৩। আপোনাৰ প্ৰবন্ধত আপুনি জোৰ দিব খোজা গুৰুত্বপূৰ্ণ বিষয়টো কি নিৰূপণ কৰক।

৪। আপোনাৰ অভিজ্ঞতাৰ মূল উপাদানবোৰৰ এটা ৰূপ ৰেখা প্ৰস্তুত কৰক।

৫। বিষয়টো আৰম্ভণিতে কেনেকৈ পৰিচয় কৰাই দিব সেই বিষয়ে ঠিক কৰি লওক।

৬। আপোনাৰ আলোচ্য বিষয়বিন্দুটোক প্ৰমাণ কৰিব পৰা এটা সামৰণিত উপনীত হ'বলৈ চেষ্টা কৰক।

৭। কোনটো দৃষ্টিকোণেৰে আপোনাৰ অভিজ্ঞতাৰ কথা ক'বলৈ বিচাৰে সেয়া ঠিক কৰক।

এখন বৃত্তান্তমূলক ৰচনাত সাধাৰণতে প্ৰথম পুৰুষৰ দৃষ্টিভংগী ব্যৱহৃত হয়। পাঠকৰ মনোযোগ আকৰ্ষণ আৰু ৰচনাৰ বিষয়টো সবলভাৱে উত্থাপন কৰাত ই আপোনাক সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ তলত উল্লেখ কৰা উক্তিবোৰ শুদ্ধ নে অশুদ্ধ কওক।

(ক) এটা ৰৈখিক বৃত্তান্ত সৰলৰেখাত আগবাঢ়ে।

.....

(খ) সংস্মৰণে (flash-back) প্ৰত্যাশিত, পৰিকল্পিত নাইবা কল্পিত ঘটনাবোৰ বৰ্ণনা কৰে।

.....

(গ) কাহিনী পৰিকল্পনাই বৃত্তান্তত ব্যৱহৃত অশোধিত উপাদানবোৰৰ সৈতে সম্পৰ্ক স্থাপন কৰে।

.....

(ঘ) বৃত্তান্ত অনুচ্ছেদবোৰে একোটা অভিজ্ঞতা বৰ্ণনা কৰে।

.....

(ঙ) এটা বৃত্তান্ত অনুচ্ছেদৰ নিয়ন্ত্ৰক ধাৰণাটো সাধাৰণতে বিষয়-বাক্যটোৰে পৰিচয় কৰি দিয়ে।

.....

প্ৰশ্ন নং ১০ ঃ তলত দিয়া প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়ক ঃ

(ক) 'ৰৈখিক' আৰু 'অৰৈখিক' বৃত্তান্তৰ মাজৰ পাৰ্থক্য কি?

.....

.....

(খ) সংস্মৰণৰ ৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

(গ) কাহিনী আৰু কাহিনী পৰিকল্পনাৰ মাজৰ পাৰ্থক্য কি?

.....

.....

(ঘ) বিষয়-বাক্যৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

প্ৰশ্ন নং ১১ ঃ যথাযথ শব্দেৰে খালী ঠাই পূৰণ কৰক ঃ

(ক) সংস্মৰণে কাহিনীৰ প্ৰধান ঘটনাৰ সংঘটিত হোৱাৰ ..... ঘটা কাহিনীবোৰ স্মৰণ কৰে।

(খ) কথকে প্ৰয়োগ কৰা বৃত্তান্তই পাঠকৰ ..... নিয়ন্ত্ৰণ কৰে।

(গ) বিষয়-বাক্যই সাধাৰণতে বৃত্তান্ত অনুচ্ছেদৰ .....ধাৰণাটো পৰিচয় কৰি দিয়ে।

(ঘ) এটা অনুচ্ছেদৰ সকলো বাক্যৰে বিষয়-বস্তুৰ দিশেৰে ..... সৈতে সম্পৰ্ক থাকিব লাগে।



১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- বৃত্তান্ত আৰু বৃত্তান্ত পাঠত ব্যৱহৃত হোৱা কথন-শৈলী সম্পৰ্কে জানিব পাৰিলে।
- এটা সুবৰ্ণিত বৃত্তান্তৰ প্ৰয়োজনীয় উপাদানবোৰৰ সৈতে পৰিচয় হ'ব পাৰিলে।
- এগৰাকী কথকে এটা পাঠ কেনেকৈ সংগঠিত কৰে সেই বিষয়েও শিকিলে।
- পাঠৰ প্ৰকাৰবোৰত ধৰা পৰা বৃত্তান্তৰ আবয়ৰিক গঠনৰ বৈশিষ্ট্যবোৰৰ বিষয়ে আৰু কৌশল জানিব পাৰিলে।
- এগৰাকী কথকে কেনেকৈ বৰ্ণনাত্মক আৰু বৃত্তান্তমূলক পাঠ প্ৰস্তুত কৰে সেই বিষয়েও অধ্যায়টিত আলোচনা কৰা হ'ল।



১০.১২ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Abbott H.(2002). *Porter Narrative.* Cambridge *:* Cambridge University Press

2) Misra, P.S (2009). *An Introduction to Stylistics : Theory and Practice*, New Delhi : Orient BlackSwan



১০.১৩ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থবহ আৰ্হি এটা অনুসৰণ কৰি পৰিৱেশন কৰা আগতে ঘটা কোনো ঘটনাৰ আনুক্ৰমিক বিৱৰণ দাঙি ধৰাই হৈছে বৃত্তান্ত।

২নং প্ৰশ্নৰ উত্তৰ ঃ ঘটনাসমূহৰ নিৰ্বাচন আৰু সেইবোৰৰ আনুক্ৰমিক বিন্যাস কৰি অৰ্থবহ আৰ্হি এটালৈ নিয়া কাৰ্য দুটা হ'ল বৃত্তান্তৰ গুৰুত্বপূৰ্ণ কাৰক।

৩নং প্ৰশ্নৰ উত্তৰ ঃচৰিত্ৰৰ যিটো দৃষ্টিভংগীৰ দ্বাৰা এটা ঘটনা নাইবা অভিজ্ঞতা উপস্থাপিত হয়, সেয়ে বৃত্তান্তৰ দৃষ্টিভংগী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) অশুদ্ধ

(খ) শুদ্ধ

(গ) শুদ্ধ

৫নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) বৃত্তান্ত

(খ) বৰ্ণিত কথা

(গ) লিখিত

(ঘ) তৃতীয়

(ঙ) প্ৰথম

(চ) দ্বিতীয়

(ছ) কথকে

৬নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) বিষয়ৰ সংক্ষিপ্ত সাৰ

(খ) অভিবিন্যাস

(গ) জটিলতা সৃষ্টি

(ঘ) মূল্যায়ন

(ঙ) সমাধান

(চ) 'কোদা' (coda)

৭নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) শুদ্ধ

(খ) অশুদ্ধ

(গ) অশুদ্ধ

(ঘ) শুদ্ধ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) দীৰ্ঘতম

(খ) অভিবিন্যাস

(গ) সমানে

৯নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) শুদ্ধ

(খ) অশুদ্ধ

(গ) অশুদ্ধ

(ঘ) শুদ্ধ

(ঙ) শুদ্ধ

১০নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) এটা বৃত্তান্তই আদি, মধ্য আৰু উপসংহাৰ এই অংশবোৰৰ ক্ৰম ৰক্ষা কৰি সুষমভাৱে

এক সৰল ৰৈখিক গতিত ক্ৰমে আগবাঢ়ি গ'লে তাক ৰৈখিক বৃত্তান্ত বোলে। অৰৈখিক (non-linear) বৃত্তান্ত ইয়াৰ বিপৰীত। এই শ্ৰেণীৰ বৃত্তান্ত কাহিনী সৰলৰেখাত আগ নাবাঢ়ে আৰু মধ্যাৱস্থা নোপোৱাকৈয়ে কথকে কাহিনীৰ সমাপ্তিলৈ আহিব পাৰে।

(খ) সংস্মৰণ এটা বৃত্তান্ত কৌশল। বৰ্তমান ঘটনাৰ ঠিক আগতে ঘটা আন কিছু প্ৰাসংগিক ঘটনাৰ সমষ্টি বৃত্তান্তত উপস্থাপন কৰা হয়। এয়াই সংস্মৰণ।

(গ) কাহিনীয়ে বৃত্তান্ত ব্যৱহৃত অশোধিত উপাদানখিনিলৈ আঙুলিয়াই দেখুৱায় কিন্তু কাহিনী পৰিকল্পনাই কাহিনীটো কেনেকৈ বৰ্ণনা কৰা হৈছে সেয়া জানিবলৈ দিয়ে।

(ঘ) যি বাক্যই অনুচ্ছেদটোক পৰিচয় কৰাই দিয়ে সেইটোৱেই সচৰাচৰ বিষয়-বাক্য। বিষয়টো পৰিচয় কৰাই দিয়াৰ উপৰি এই বাক্যই বিষয়টোৰ দৃষ্টিভংগী প্ৰকাশ কৰাতো সহায় কৰে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) আগতে

(খ) দৃষ্টিভংগী

(গ) নিয়ন্ত্ৰণকাৰী

(ঘ) বিষয় বাক্যৰ



১০.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ বৃত্তান্ত বুলিলে কি বুজে? ইয়াৰ লগত জড়িত বিভিন্ন দিশ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ কথনৰ প্ৰকাৰসমূহ কি কি? কথনৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ চমুটোকা লিখক ঃ (ক) বৃত্তান্ত অনুচ্ছেদ (খ) ব্যাখ্যামূলক অনুচ্ছেদ, (গ) প্ৰৱন্ধত কথন।